১

# নিবিদা জাননী
## হোজাই জিলা পৰিষদৰ কাৰ্য্যালয়
## নখুটি সাপ্তাহিক বজাৰ বন্দোবস্তিৰ নিবিদা

স্মাৰক নং হো.জি.প. ১২৮ /২০২৫ তাৰিখ- ১৬-০৫-২০২৬

ইয়াৰ দ্বাৰা সাধাৰণ ৰাইজক জনোৱা যায় যে, **হোজাই জিলা পৰিষদৰ** অন্তৰ্গত **নখুটি সাপ্তাহিক বজাৰখন** অসম পঞ্চায়ত আইন, ১৯৯৪ আৰু অসম পঞ্চায়ত (সংশোধনী) আইন, ২০২৫ ৰ মতে ২০২৬-২৭ বৰ্ষৰ বাবে অৰ্থাৎ ইং ০১-০৭-২০২৬ তাৰিখৰ পৰা ৩০-০৬-২০২৭ তাৰিখলৈ এবছৰৰ বাবে নিবিদাযোগে বন্দোৱস্তি দিয়া হ'ব। ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ টকা (আঠ টকা পচিঁশ পইচা) ন্যায়ালয়ৰ শুল্ক(কোৰ্ট ফি) লগোৱা থামত নিবিদা আহবান কৰা হ'ল।

নিবিদা অহা ইং ২০-০৬-২০২৬ তাৰিখৰ দিনৰ ১-০০ বজালৈকে **হোজাই জিলা পৰিষদৰ** কাৰ্য্যালয়ত গ্ৰহণ কৰা হ'ব আৰু সেইদিনাই নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত ২.০০ বজাত খোলা হ'ব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰ. নং | বজাৰৰ নাম | চৰকাৰী নিৰিখ | আমানত ধন |
|---|---|---|---|
| ১ | নখুটি সাপ্তাহিক বজাৰ | ১০,৯৩,২৪০.০০ টকা (দহ লাখ তিৰানব্বৈ হাজাৰ দুশ চল্লিশ টকা) | ১,০৯,৩২৪.০০ টকা (এক লাখ নহাজাৰ তিনিশ চৌবিশ টকা) |

<u>বজাৰ/ঘাট/মীনমহল আদিৰ নিবিদাৰ চৰ্তাৱলীঃ-</u>

<u>প্ৰথম খণ্ড</u>

১) বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোবস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। বৰ্তমান বজাৰ/ঘাট/মীনমহল/পাউণ্ড চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।

২) যদি এইটো দৃষ্টিগোচৰ হয় যে, কোনো নিবিদাকাৰীয়ে ৰাজ্য চৰকাৰৰ যিকোনো পৰ্য্যায়ত যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ বাকী আছে অথবা যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ ব্যৰ্থ হৈছে, তেন্তে তেনে নিবিদাকাৰীক নিবিদা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব দিয়া নহ'ব।

৩) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, সংস্থা, সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব আৰু এনে নিবিদা পোনপটীয়াকৈ নাকচ কৰা হব।

৪) হোজাই জিলা পৰিষদ কাৰ্য্যালয়ত ৩০০.০০ টকা জমা দি নিবিদা প্ৰ-পত্ৰ আৰু আনুসংগিক নথি পত্ৰ লব লাগিব।

৫) জিলা পৰিষদে যোগান ধৰা মূল নিবিদাৰ ফৰ্মতহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে নিবিদা ফৰ্মৰ ফটোষ্টেট কপিৰ নিবিদা গ্ৰহণ কৰা নহ'ব। কোনো নিবিদাকাৰীয়ে ফটোষ্টেট কপিত নিবিদা দাখিল কৰিলে জিলা পৰিষদত ৩০০.০০ টকা জমা দিয়াৰ ৰচিদ নিবিদাৰ লগত দাখিল কৰিব লাগিব।

৬) হাট, ঘাট, মীনমহল বন্দোবস্তি সম্পৰ্কীয় নিবিদা জমা দিয়াৰ ক্ষেত্ৰত দুতৰপীয়া ব্যৱস্থা গ্ৰহণ কৰা হ'ব য'ত নিবিদাকাৰীয়ে দুটা থামত তেওঁলোকৰ নিবিদা দাখিল কৰিব। প্ৰথম থামত নিবিদাকাৰীয়ে নিবিদা প্ৰ-পত্ৰৰ ক্ৰমিক নং ৩(খ)ত উল্লেখিত অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰমান পত্ৰ (যদি প্ৰযোজ্য হয়), ক্ৰমিক নং ৭(ক)ৰ পৰা (এ)লৈকে উল্লেখিত নথি পত্ৰ, কোৰ্ট ফি, আমানতৰ ধন জমা দিয়াৰ নথি (EMD), আৰক্ষীৰ প্ৰতিবেদন আদি দাখিল কৰিব লাগিব। দ্বিতীয় থামত নিবিদাকাৰীয়ে তেওঁলোকৰ নিবিদাৰ ধনৰ পৰিমাণ দাখিল কৰিব। অকল প্ৰথম পৰ্য্যায়ত গ্ৰহণযোগ্য বিবেচিত হোৱা নিবিদাকাৰীসকলৰহে দ্বিতীয় থাম বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব।

৭) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদা ফৰ্মত নিজৰ সম্পূৰ্ণ নাম, ঠিকনা ও আৰক্ষী থানা উল্লেখ কৰিব লাগিব। নিবিদাকাৰী উক্ত আঞ্চলিক পঞ্চায়তৰ বাসিন্দা হব লাগিব।

৮) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় কোৰ্টফি আৰু আমানত ধন জমা দিয়াটো বাধ্যতামুলক। নিবিদা দাখিল কৰাৰ পাছত কোনো নিবিদাকাৰীয়ে নিবিদা উঠাই ল'ব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোৱস্তি প্ৰাপ্ত নিবিদাকাৰীয়ে বন্দোৱস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব।

৯) নিবিদা দাখিলৰ ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষনা কৰিলে পৰৱৰ্তী কাৰ্য্যালয় খোলাৰ দিনা নিবিদা গ্ৰহণ কৰা হ'ব।

১০) কোনো বজাৰ/ঘাট/মীনমহলৰ/পাউণ্ডৰ নিবিদা মুল্য উপযুক্ত বিবেচিত নহ'লে পুনৰ নিবিদা আহবান কৰা হ'ব।

Scanned with OKEN Scanner

১১) সকলো বজাৰ/ঘাট/মীনমহলৰ/পাউওৰ ক্ষেত্ৰত বিগত তিনিটা বছৰৰ বন্দোৱস্তিৰ গড় মূল্য সহিতে গড় মূল্যৰ ১০ শতাংশ হাৰৰ ভিতৰত দাখিল কৰা সৰ্বোচ্চ নিবিদাহে বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব।

১২) ক) যদিহে কোনো বজাৰ/ঘাট/মীনমহলৰ/পাউওৰ বাবে এগৰাকীতকৈ অধিক স্থানীয় নিবিদাকাৰীয়ে একে নিবিদা মূল্য দাখিল কৰে আৰু যদিহে নিবিদা জাননীৰ অন্যান্য সকলো চৰ্তাৱলী সাপেক্ষে তেওঁলোকৰ গ্ৰহণযোগ্যতা থাকে, তেনেহ'লে সেই বজাৰ/ঘাট/মীনমহল বন্দোৱস্তি নিৰ্ধাৰণ কৰাৰ বাবে স্থানীয় নিবিদাকাৰীসকলৰ মাজৰ পৰা লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰা হ'ব।

খ) একাধিক নিবিদাকাৰীৰ মাজৰ পৰা লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে জিলা পৰিষদৰ স্থায়ী সমিতিয়ে সকলো নিবিদাকাৰী, বিষয়ববীয়া তথা সাধাৰণ নাগৰিকৰ উপস্থিতিত কাৰ্য্যালয় প্ৰাংগনত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে লটাৰী সম্পন্ন কৰিব লাগিব। এনে লটাৰীৰ বাবে কৰ্তৃপক্ষই সংশ্লিষ্ট সকলো স্থানীয় নিবিদাকাৰীকে আগতীয়াকৈ জনাব লাগিব আৰু সমগ্ৰ লটাৰী প্ৰক্ৰিয়াৰ কাৰ্যবিৱৰণী প্ৰস্তুত কৰি বিধিগতভাৱে সংশ্লিষ্ট বিষয়ববীয়া আৰু নিবিদাকাৰীৰ স্বাক্ষৰ গ্ৰহণ কৰিব লাগিব। উল্লেখ্য যে একে নিবিদামূল্য দাখিল কৰা প্ৰতিগৰাকী নিবিদাকাৰীৰ সন্মতিসূচক স্বাক্ষৰ থকা কাৰ্যবিৱৰণীহে গ্ৰহণযোগ্য হ'ব। পৰৱৰ্তী সময়ত এনে কাৰ্যবিৱৰণীৰ প্ৰতিলিপি জিলা পৰিষদৰ জৰিয়তে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগলৈ প্ৰেৰণ কৰিব লাগিব।

গ) লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে জিলা পৰিষদৰ স্থায়ী সমিতিয়ে সমগ্ৰ লটাৰী প্ৰক্ৰিয়াটোৰ ভিডিঅগ্ৰাফী কৰাটো বাধ্যতামূলক। এই ভিডিঅগ্ৰাফী কোনো চিডি (Compact Disc) বা পেনড্ৰাইভত (Pendrive) সুৰক্ষিত কৰি অতি কমেও পাঁচ বছৰৰ বাবে সংৰক্ষিত কৰি ৰাখিব লাগিব যাতে বন্দোৱস্তি সম্পৰ্কীয় যিকোনো ওজৰ-আপত্তি/গোচৰ/মোকৰ্দনা আদিৰ সময়ত সেয়া দাখিল কৰিব পৰা যায়। তদুপৰি প্ৰয়োজন সাপেক্ষে উৰ্ধতন মহলে বিচাৰিলে এই ভিডিঅ' ৰেকৰ্ডিং জমা দিব লাগিব।

## দ্বিতীয় খণ্ড

১৩) হাট, ঘাট, মীনমহল আদিৰ বন্দোৱস্তি সম্পৰ্কীয় নিবিদাৰ ক্ষেত্ৰত Assam Public Procurement Rule Framework ত সন্নিৱিষ্ট নিয়ম মানি চলাটো বাধ্যতামূলক।

১৪) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত নিৰ্দিষ্ট বজাৰ/ঘাট/মানমহল চৰকাৰী নিৰিখ ১০% (দহ শতাংশ) আমানতৰ ধন হিচাপে সংশ্লিষ্ট পঞ্চায়তৰ আধিত (Pledge) কৰি অসম কো-অপাৰেটিভ এপেক্স বেংক, অসম গ্ৰামীন বিকাশ বেংক অথবা যি কোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ Fixed Deposit নিবিদাৰ লগত গাঁঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানত ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৫) নিবিদাকাৰীয়ে নিবিদাৰ লগত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত পাচপৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব।

১৬) নিবিদাকাৰী আৰু জামিনদাৰে জিলা পৰিষদ, সংশ্লিষ্ট আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ পৰা কৰমুক্ত/পুৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱাৰ প্ৰমাণপত্ৰ নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৭) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদা দাখিলৰ সময়ত স্থানীয় আৰক্ষী থানাৰ পৰা তেখেতৰ পূৰ্ব পটভূমি (antecednet) জমা দিয়াটো বাধ্যতামূলক।

১৮) যিকোনো ধৰণৰ হিংসাত্মক কাৰ্য্যকলাপ, অত্যাচাৰ, শোষণ, নিপীড়ন আদিত জড়িত থকা নিবিদাকাৰীক হাট, ঘাট, মীন-মহল আদিৰ বন্দোৱস্তি দিয়া নহ'ব।

১৯) নিবিদাকাৰী আৰু জামিনদাৰে নিবিদাৰ লগত গাঁঠি দিয়া নথি-পত্ৰবোৰ সত্য বুলি স্বয়ং প্ৰত্যায়িত কৰিব লাগিব।

## তৃতীয় খণ্ড

২০) অসম পঞ্চায়তে (বিত্তীয়) (সংশোধনী) নিয়মাৱলী ২০২৫ ৰ ৪৭ নং বিধিমতে নিবিদাকাৰীয়ে বজাৰ/ঘাট/মীনমহল/পাউওৰ বন্দোৱস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত উপপঞ্জিয়কৰ কাৰ্য্যালয়ত পঞ্জিয়নভুক্ত চুক্তিপত্ৰ নিদ্ধাৰিত দলিল (Stamp Paper) ত দাখিল কৰিব লাগিব। এই ক্ষেত্ৰত দলিল (Stamp Paper) আৰু পঞ্জিয়নৰ খৰচ নিবিদাকাৰীয়ে বহন কৰিব লাগিব।

২১) বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে বন্দোৱস্তি জাননী জাৰীৰ তাৰিখৰ এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোৱস্তি মূল্য জিলা পৰিষদ কাৰ্য্যালয়ত জমা দিব লাগিব।

২২) যদিহে বন্দোৱস্তি পোৱা নিবিদাকাৰীগৰাকীয়ে নিৰ্দ্ধাৰিত এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোৱস্তি মূল্য জমা দিয়াত ব্যৰ্থ হয়, তেনেহলে জিলা পৰিষদে পিছৰগৰাকী সৰ্বোচ্চ নিবিদাকাৰীক বন্দোৱস্তি প্ৰদান কৰিব। এই বন্দোৱস্তিৰ ক্ষেত্ৰত দফা নং ১১ আৰু ১২ ত উল্লেখিত নিয়মাৱলী প্ৰযোজ্য হ'ব। এই প্ৰক্ৰিয়া বন্দোৱস্তি জাননী জাৰীৰ নিৰ্দ্ধাৰিত সপ্তাহৰ পিছৰ সপ্তাহত সম্পন্ন কৰিব লাগিব।

২৩) বজাৰ/হাট আদিৰ বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে বজাৰলৈ ঘৰুৱাভাৱে উৎপাদিত শাক-পাচলি, তামোল-পান, দুগ্ধজাত সামগ্ৰী আদি বিক্ৰী কৰিবলৈ অহা স্থানীয় লোকৰপৰা বা ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা কোনোধৰণৰ মাচুল সংগ্ৰহ কৰিব নোৱাৰিব। এনে অভিযোগ লাভ কৰা নিবিদাকাৰীৰ বিৰুদ্ধে সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

২৪) বজাৰ/হাট আদিৰ বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে পৰাপক্ষত নিয়মীয়া বিক্ৰেতা, ব্যৱসায়ী আদিৰ পৰাহে ছমাহ বা বছৰৰ মূৰত এবাৰকৈ সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ দ্বাৰা অনুমোদিত মাচুল/কৰ সংগ্ৰহ কৰিব পাৰিব।

Scanned with OKEN Scanner

২৫) বজাৰ/ঘাট/মীনমহল/পাউও বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুষ্ঠান বজাৰ/ঘাট/মীনমহল/পাউও হস্তান্তৰ (Sublet) কৰিব নোৱাৰিব।

২৬) যদি কোনো নিবিদাকাৰীয়ে নিবিদা দাখিল কৰি বন্দোৱস্তিৰ পূৰ্বে নিবিদা উঠাই লয় তেনেহলে উক্ত নিবিদাকাৰীৰ আমানতৰ ধন Forfeit হ'ব আৰু তেওঁ আগন্তুক পাচঁ বছৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।

২৭) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যি কোনো বিষয়াই হাট/ঘাট/মীনমহল/পাউওৰ বন্দোৱস্তি বা পৰিচালনাৰ লগত জড়িত সকলো তথ্যপাতি. কাগজ-পত্ৰ, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।

২৮) প্ৰত্যেক মহলদাৰে নিম্নলিখিত চৰ্তসমূহ মানি চলিব লাগিব-

**ক)** হাটত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা মহলদাৰে কৰিব লাগিব।
**খ)** মহলদাৰে মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশণা আৰু solid waste management rule 2026 অনুসৰি হাটৰ ভিতৰত জমা হোৱা জাৱৰ বা গেলা-পচাঁ বস্তু সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সহযোগত নিষ্কাশনৰ ব্যৱস্থা কৰিব লাগিব ।
**গ)** হাটত গেলা পচা মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তেনে বিক্ৰী তৎক্ষণাত বন্ধ কৰিব আৰু তেনে বিক্ৰেতাৰ বিৰুদ্ধে ওচৰত থকা জনস্বাস্থ্য বিষয়াক অভিযোগ দিব লাগিব। লগতে বজাৰৰ গেলা পঁচা বস্তু/ৰাইজৰ স্বাস্থ্য হানি হোৱা বস্তু/সামাজিক পৰিবেশ ক্ষতি হোৱা বস্তু আদি বিক্ৰী কৰিব নোৱাৰিব।
**ঘ)** প্ৰত্যেক মহলদাৰে জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ অনুমোদিত খাজানাৰ (মাচুল) নিৰিখ হাট/ঘাট/মীনমহল/পাউওৰ আদিৰ মূখ্য প্ৰৱেশদ্বাৰ তথা অন্যান্য মূখ্য এলেকাত জাননী ফলক (নোটিচ বৰ্ড) লগাই সহজে পঢ়িব পৰাকৈ স্থানীয় ভাষাত লিখি ৰাখিব লাগিব।
**ঙ)** চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তু কিনা-বেচা হলে উক্ত বস্তুৰ ওপৰত কোনো খাজানা লব নোৱাৰিব।
**চ)** হাট বজাৰৰ যি অংশত গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বেচা-কিনা হয়, সেই অংশত বজাৰৰ মহলদাৰে গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই অংশৰ পৰিস্কাৰ পৰিচন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

২৯) জিলা পৰিষদ নাইবা আঞ্চলিক পঞ্চায়তৰ কোনো কতৃত্বশীল বিষয়াই হাট/ঘাট/মীনমহল/পাউও আদি পৰিদৰ্শন কৰিব আৰু সেই সময়ত মহলদাৰে নিজে নাইবা তেওঁৰ উপযুক্ত প্ৰতিনিধি উক্ত বিষয়াৰ লগত থাকিব লাগিব।

৩০) সাপ্তাহিক/অৰ্ধসাপ্তাহিক হাটৰ ঠাইত দৈনিক বজাৰৰ মহলদাৰে সাপ্তাহিক/অৰ্ধসাপ্তাহিক হাট বজাৰৰ খাজানা আদায় কৰিব নোৱাৰিব।

৩১) সাপ্তাহিক/অৰ্ধসাপ্তাহিক/দৈনিক বজাৰৰ মহলদাৰে বজাৰৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰতহে খাজানা আদায় কৰিব পাৰিব।

৩২) সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত সমূহে হাট, ঘাট, মীনমহল আদিৰ পৰা সংগৃহীত ৰাজহৰ হিচাপ ৰখাটো বাধ্যতামূলক।

৩৩) বন্দোৱস্তিপ্ৰাপ্ত নিবিদাকাৰীক জিলা পৰিষদ/আঞ্চলিক পঞ্চায়তৰ তৰফৰ পৰা পৰিচয় পত্ৰ (Identity Card) দিয়াৰ ব্যৱস্থা কৰা হব।

মূখ্য কাৰ্য্যবাহী বিষয়া,
হোজাই জিলা পৰিষদ।

স্মাৰক নং হো.জি.প. ১২৮/২০২৫ তাৰিখ- ১৬-০৫-২০২৬

<u>প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে প্ৰেৰণ কৰা হল-</u>

১) অতিৰিক্ত মূখ্য সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম, দিছপুৰ, গুৱাহাটী-৬ ।
২) সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম, দিছপুৰ, গুৱাহাটী-৬ ।
৩) আয়ুক্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, জুৰিপাৰ অসম, দিছপুৰ, গুৱাহাটী-৬ ।
৪) হোজাই জিলা আয়ুক্ত ।
৫) সভানেত্ৰী, হোজাই জিলা পৰিষদ ।
৬) সমূহ সদস্য, সাধাৰন স্থায়ী সমিতি, হোজাই জিলা পৰিষদ ।
৭) কাৰ্য্যবাহী বিষয়া, লামডিং আঞ্চলিক পঞ্চায়তৰ জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে ।
৮) লামডিং আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত সমূহ গাওঁ পঞ্চায়তৰ সভাপতি/সচিব, জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে ।
৯) নটিচ বোৰ্ড।

HOJAI ZILLA PARISHAD SANKARDEV NAGAR, HOJAI

মূখ্য কাৰ্য্যবাহী বিষয়া,
হোজাই জিলা পৰিষদ।

Scanned with OKEN Scanner